GEVSDM S3

পৰিৱেশ অধ্যয়ন আৰু দুর্যোগ ব্যৱস্থাপনা

তৃতীয় ষাণ্মাসিক

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দুলাল গোস্বামী, প্রাক্তন মুৰব্বী অধ্যাপক, পৰিৱেশ বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

শ্রীযুত প্রিয়ব্রত লহকৰ, প্রাক্তন বিশেষ কর্তব্যৰত বিষয়া (পৰীক্ষা), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী (অধ্যায় ৪, ৫ আৰু ৬)*
১	ড° প্রদীপ শর্মা ভূগোল বিভাগ, কটন মহাবিদ্যালয়	ড° মৃণাল জ্যোতি গোস্বামী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২ আৰু ৩	শ্রীযুত প্রিয়ব্রত লহকৰ	কুইন শর্মা, প্রাক্তন আৰ. টি. এ.
৪	ড° পার্থ প্রতীম বৰুৱা উদ্ভিদ বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৫	ড° অণিৰুদ্ধ ডেকা, প্রকল্প পৰামর্শদাতা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	
৬	কুইন শর্মা	
৭	ড° নিপেন্দ্রৰাম কলিতা ভূগোল বিভাগ, বি. বৰুৱা মহাবিদ্যালয়	

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° দুলাল গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়

গাঁথনিক আৰু ভাষা সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ আগষ্ট, ২০১০; পুনৰ মুদ্রণ ঃ জানুৱাৰী, ২০১৪, ২০১৫; ডিচেম্বৰ, ২০১৫
পৰিবর্ধিত সংস্কৰণ ঃ মে', ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

		নম্বৰ বিভাজন	পৃষ্ঠা নং
অধ্যায় ১ ঃ	**পৰিৱেশ অধ্যয়নৰ ধাৰণা** পৰিৱেশ অধ্যয়নৰ স্বৰূপ আৰু পৰিসৰ; পৰিৱেশ অধ্যয়নৰ বহু বিষয়সমন্বিত স্বৰূপ; পৰিৱেশ অধ্যয়নৰ নীতি আৰু জনসচেতনতা	১০	৫ - ১৩
অধ্যায় ২ ঃ	**প্ৰাকৃতিক সম্পদ** প্ৰাকৃতিক সম্পদ; প্ৰাকৃতিক সম্পদৰ প্ৰকাৰ; বনজ সম্পদ; জল সম্পদ; খনিজ সম্পদ; খাদ্য সম্পদ; শক্তি সম্পদ; ভূমি সম্পদ; প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ; ধাৰণক্ষম উন্নয়ন	১৫	১৪ - ৪৫
অধ্যায় ৩ ঃ	**পৰিস্থিতিতন্ত্ৰ** পৰিস্থিতিতন্ত্ৰ; খাদ্য শৃংখল; খাদ্যজাল বা খাদ্য চক্ৰ; শক্তি প্ৰৱাহ; পাৰিস্থিতিক পিৰামিড; মুখ্য পৰিস্থিতিতন্ত্ৰ	১৫	৪৬ - ৬৫
অধ্যায় ৪ ঃ	**জীৱবৈচিত্ৰ্য আৰু ইয়াৰ সংৰক্ষণ** জীৱবৈচিত্ৰ্যৰ সংজ্ঞা; জীৱবৈচিত্ৰ্যৰ মূল্য; গোলকীয়, ৰাষ্ট্ৰীয় আৰু আঞ্চলিক স্তৰত জীৱবৈচিত্ৰ্য; জীৱবৈচিত্ৰ্যৰ গুৰুত্বপূৰ্ণ স্থান; বিপন্ন আৰু স্থানিক প্ৰজাতি; জীৱবৈচিত্ৰ্যৰ প্ৰতি ভাবুকি; জীৱবৈচিত্ৰ্যৰ সংৰক্ষণ	১৫	৬৬ - ৭৯
অধ্যায় ৫ ঃ	**পৰিৱেশ প্ৰদূষণ** পৰিৱেশ প্ৰদূষণ সংজ্ঞা; বায়ু প্ৰদূষণ; জল প্ৰদূষণ; ভূমি প্ৰদূষণ; শব্দ প্ৰদূষণ; তাপীয় প্ৰদূষণ; প্ৰদূষণ প্ৰতিৰোধত নাগৰিকৰ দায়িত্ব	১৫	৮০ - ৯৩
অধ্যায় ৬ ঃ	**দুৰ্যোগৰ ধাৰণা** দুৰ্যোগৰ সংজ্ঞা; দুৰ্যোগৰ প্ৰকাৰ; সংকট, দুৰ্যোগ, দুৰ্যোগ আশংকা বা সম্ভাৱনীয়তা আৰু পূৰ্বাৱস্থাপ্ৰাপ্তিৰ প্ৰৱণতাৰ মাজৰ পাৰ্থক্য; কিছুমান প্ৰাকৃতিক দুৰ্যোগৰ কাৰণ, পৰিণাম আৰু নিবাৰণৰ উপায়; মানৱ-সৃষ্ট দুৰ্যোগ	১৫	৯৪ - ১১২
অধ্যায় ৭ ঃ	**দুৰ্যোগ ব্যৱস্থাপনা** দুৰ্যোগ ব্যৱস্থাপনা; প্ৰাক্-দুৰ্যোগকালীন নিৰাপত্তামূলক ব্যাৱস্থাসমূহ; জৰুৰীকালীন সহাৰ্য; দুৰ্যোগৰ সময়ত ল'বলগীয়া ব্যৱস্থাসমূহ; স্বেচ্ছাসেৱী সংস্থা আৰু লোকসমাজৰ অংশগ্ৰহণ; জাতীয় দুৰ্যোগ ব্যৱস্থাপনা আৰু পৰিকল্পনা	১৫	১১৩-১৩০
প্ৰসঙ্গ পুথি			১৩১

পাঠ্যবিষয়ৰ পৰিচয় ঃ পৰিৱেশ অধ্যয়ন আৰু দুৰ্যোগ ব্যৱস্থাপনা

পৰিৱেশ অধ্যয়ন আৰু দুৰ্যোগ ব্যৱস্থাপনা— এই বিষয় দুটি আজিৰ পৃথিৱীৰ সবাটোকৈ চর্চিত বিষয়। সকলো জীৱ আৰু চৌপাশৰ প্রতিটো সামগ্রী পৰিৱেশৰে অংগ। বর্তমান মানুহে কৰা প্রকৃতিৰ ধ্বংস কার্যৰ বাবে নানান সমস্যাৰ সৃষ্টি হৈছে, বিভিন্ন দুৰ্যোগৰ সৃষ্টি হৈছে। দুৰ্যোগ হ'ল আকস্মিক ঘটনা। সাধাৰণতে কোনো আগজাননী নিদিয়াকৈ বা অতি কম সময়ৰ পূৰ্বাভাষ দি ই সংঘটিত হয়। সকলো দুৰ্যোগ প্রতিৰোধ কৰিব নোৱাৰি, কিন্তু উপযুক্ত পৰিকল্পনা আৰু পূৰ্ব-প্রস্তুতি থাকিলে ইয়াৰ প্রভাৱ যথেষ্ট সীমিত কৰিব পাৰি। এইবোৰৰ সমাধানৰ বাবে মূলতঃ পৰিৱেশ সংৰক্ষণ অপৰিহার্য। তাৰ বাবে দুৰ্যোগ ব্যৱস্থাপনৰ বিষয়েও অধ্যয়ন কৰাৰ প্রয়োজনীয়তা আছে। আনহাতে জনসাধাৰণ সজাগ হ'লেহে পৰিৱেশ সংৰক্ষণ তথা দুৰ্যোগ ব্যৱস্থাপনা সম্ভৱ। সেয়ে বিশ্ববিদ্যালয়ে আগবঢ়োৱা স্নাতক পাঠ্যক্রমত *'পৰিৱেশ অধ্যয়ন আৰু দুৰ্যোগ ব্যৱস্থাপনা'* শীর্ষক এখন পাঠ্যবিষয়ো অন্তর্ভুক্ত কৰা হৈছে। আলোচনাৰ সুবিধার্থে এই পাঠ্যবিষয়খনক মুঠ সাতটা অধ্যায়ত নিম্নোক্ত ধৰণে ভাগ কৰি লোৱা হৈছে —

অধ্যায় ১ ঃ পৰিৱেশ অধ্যয়নৰ ধাৰণা
অধ্যায় ২ ঃ প্রাকৃতিক সম্পদ
অধ্যায় ৩ ঃ পৰিস্থিতিতন্ত্র
অধ্যায় ৪ ঃ জীৱবৈচিত্র্য আৰু ইয়াৰ সংৰক্ষণ
অধ্যায় ৫ ঃ পৰিৱেশ প্রদূষণ
অধ্যায় ৬ ঃ দুৰ্যোগৰ ধাৰণা
অধ্যায় ৭ ঃ দুৰ্যোগ ব্যৱস্থাপনা

অধ্যায় ১-ত আপুনি পৰিৱেশ অধ্যয়নৰ স্বৰূপ, পৰিসৰ, ইয়াৰ সংজ্ঞা, উদ্দেশ্য, গুৰুত্ব, পৰিৱেশ অধ্যয়নৰ বহু বিষয়সমন্বিত বা বহু বিষয় জড়িত স্বৰূপ তথা পাৰিৱেশিক নীতি সম্পর্কে অধ্যয়ন কৰিব। তদুপৰি পৰিৱেশ সংৰক্ষণৰ বাবে জনসচেতনতাৰ প্রয়োজনীয়তাৰ বিষয়েও জ্ঞাত হ'ব। অধ্যায় ২-ত প্রকৃতিত উপলব্ধ সম্পদসমূহৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে তাৰ সদ্ব্যৱহাৰে মানৱ সমাজৰ উন্নয়ণত কেনে প্রভাৱ পেলাব সেই বিষয়ে জ্ঞাত হ'ব। পৰিস্থিতিতন্ত্র মানে কি আৰু ইয়াৰ লগত সম্পর্কিত খাদ্য শৃংখল, খাদ্যজাল বা খাদ্য চক্র, শক্তি প্রৱাহ, পাৰিস্থিতিক পিৰামিড আদি বিষয়সমূহৰ লগত পৰিচিত হ'ব অধ্যায় ৩-ত। অধ্যায় ৪-ত জীৱবৈচিত্র্য আৰু ইয়াৰ সংৰক্ষণ সম্পর্কে কিছু কথা সন্নিৱিষ্ট কৰা হৈছে। বিভিন্ন প্রকাৰৰ পৰিৱেশ প্রদূষণৰ কাৰণ, উৎসসমূহ, ইয়াৰ ফলাফলৰ বিষয়ে অধ্যয়ন কৰিব অধ্যায় ৫-ত। অধ্যায় ৬ আৰু ৭-ত দুৰ্যোগ মানে কি, বিভিন্ন প্রকাৰৰ দুৰ্যোগ আৰু ইয়াৰ সৈতে মুখামুখি হ'ব পৰাকৈ কিছু জ্ঞান অর্থাৎ দুৰ্যোগ ব্যৱস্থাপনা সম্পর্কে ধাৰণা লাভ কৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।